# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-03-2025
**Time:** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চাৰিদিনীয়া ডিব্ৰুগড় ভ্ৰমণৰ অন্তিম দিনা আজি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ সভাগৃহত লোকনিৰ্মাণ, গৃহবিভাগ আৰু চিকিৎসা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বাবে গ্ৰহণ কৰা ৩০০ কোটি টকা ব্যয় সাপেক্ষ নতুন আৱাসিক কলনি নিৰ্মাণৰ অভিলাষী প্ৰকল্প সন্দৰ্ভত আলোচনা কৰা হয়। চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ পুৰণি আৱাসসমূহৰ পৰিৱৰ্তে অধ্যক্ষ-উপাধ্যক্ষ, জ্যেষ্ঠ, কনিষ্ঠ চিকিৎসকৰ আৱাসৰ লগতে ছাত্ৰাৱাস, ছাত্ৰী নিবাস, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাবে নতুন আৱাসিক কলনি, সন্মিলন কেন্দ্ৰ আদি বিভিন্ন সা-সুবিধা অন্তৰ্ভুক্তিৰে প্ৰস্তুত কৰা প্ৰকল্পটোৰ নক্সাৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বুজ লয়। বৈঠকখনত বিভাগসমূহৰ উচ্চ পদস্থ বিষয়াসকলৰ লগতে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, মুখ্য অধীক্ষকো উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই চাৰিদিনীয়া ডিব্ৰুগড় ভ্ৰমণ সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰকাশ কৰি কয়, যে ঐতিহাসিক চহৰ ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে আৰু এই উদ্দেশ্যে চহৰখনত কেইবাটাও ব্যৱস্থা আৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সচিবালয় কাৰ্যকৰী কৰাৰ লগতে ডিব্ৰুগড়ৰ গৌৰৱময় অতীতক পুনৰ উদ্ধাৰ কৰি চহৰখনক পূব ভাৰতৰ এখন প্ৰধান অৰ্থনৈতিক আৰু সংস্কৃতিক কেন্দ্ৰ হিচাপে নিৰ্মাণৰ পৰিকল্পনাৰে কাম কৰি থকা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নিয়মীয়া পৰ্যালোচনা বৈঠকৰ ফলত কেবিনেটৰ সিদ্ধান্ত, আঁচনি আৰু আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহ ত্বৰান্বিত হৈছে। সচিবালয়ে অঞ্চলটোৰ সামাজিক সংগঠনসমূহক চৰকাৰৰ ওচৰলৈ লৈ যোৱাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় ভ্ৰমণতে ডিব্ৰুগড়, ধেমাজি, ঢকুৱাখনা আৰু ডিমৌ বিধানসভা সমষ্টিত ৩ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ ৫০০ৰো অধিক প্ৰকল্প পৰ্যালোচনা বৈঠকতো ভাগ লোৱাৰ কথা প্ৰকাশ কৰে। এই বৈঠকত অঞ্চলটোৰ পথ, উৰণ সেতু, ঘাইপথ, চৰকাৰী ভৱন, মথাউৰি, বিদ্যুৎ কেন্দ্ৰ, চিকিৎসালয়, ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰকল্পসমূহৰ কাম ক্ষিপ্ৰতাৰে কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশনা দিয়াৰ কথাও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান চলিছে। বিজেপি, ৰাভা হাছং যৌথ সমিতি আৰু অগপই ঐক্যবদ্ধভাৱে নিৰ্বাচনী যুঁজত নামি প্ৰচাৰ অভিযান

চলাই আছে। আজি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই ৰাভা হাছং এলেকাত উপস্থিত হৈ আগিয়া পৰিষদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুচিত্ৰা নাথৰ লগতে আন দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ নেতৃত্বত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে বিজেপিৰ সহযোগত নিৰ্বাচনী প্ৰচাৰ চলাইছে। কংগ্ৰেছ দলৰ সভাপতি ভূপেন বৰা আৰু ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে ছয়গাঁৱৰ ৰাজীৱ ভৱনত উপস্থিত হৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। দুয়োগৰাকী নেতাই দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ অভিযান চলাইছে। দলটোৰ প্ৰাৰ্থী আৰু সমৰ্থকসকলেও নিজাববীয়াকৈ প্ৰচাৰ অভিযান চলাইছে। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ গ্ৰাম্য জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

ooooo

প্ৰশ্নকাকত ফাদিল আৰু প্ৰ'ট'কল উলংঘাৰ বাতৰিৰ বাবে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ কাইলৈৰ পৰা ২৯ মাৰ্চলৈ হ'বলগীয়া বাকী বিষয়সমূহৰ পৰীক্ষা বাতিল কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কাইলৈ হ'বলগীয়া অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ বৈঠকত পৰৱৰ্তী ব্যৱস্থা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছে। ইপিনে, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নিৰ্ধাৰিত সময়ৰ পূৰ্বে একাদশ শ্ৰেণীৰ গণিতৰ প্ৰশ্নকাকতৰ পেকেটৰ চীল খোলাৰ বাবে ১০ খন জিলাৰ ১৫ খন ব্যক্তিগত বিদ্যালয়ৰ স্বীকৃতি সাময়িকভাৱে বাতিল কৰিছে। ৰাজ্য চৰকাৰে নিয়মভংগৰ বাবে ৩ খন প্ৰাদেশিকীকৃত বিদ্যালয়ৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰিব। এই সংক্ৰান্তত এজাহাৰ ৰুজু কৰা হৈছে আৰু বিদ্যালয়কেইখনক ২০২৫-২৬ বৰ্ষৰ বাবে একাদশ শ্ৰেণীত নামভৰ্তিৰ পৰা বাৰণ কৰা হৈছে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ খাৰুৱাবান্ধাত নতুনকৈ নিৰ্মাণ কৰা এছ এম হাস্পতালত আজি বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। পুৱাৰে পৰা হাস্পতালখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা বিশেষকৈ দৰিদ্ৰ ৰোগীসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে হাস্পতালখনত ভিৰ পৰিলক্ষিত হয়। বিনামূলীয়া চিকিৎসা শিবিৰৰ জৰিয়তে ৰোগীসকলক স্বাস্থ্য পৰীক্ষা কৰাৰ উপৰি ৰোগীৰ বিভিন্ন পৰীক্ষাৰ ক্ষেত্ৰত ৰেহাই মূল্যত পৰীক্ষাৰ কৰাৰ ব্যৱস্থা কৰা হৈছে।

ooooo

কামৰূপ জিলাৰ ৰাণী সংৰক্ষিত বনাঞ্চলত উৰলি যোৱা বন্যহস্তীৰ এটা মৃতদেহ উদ্ধাৰ কৰা হয়। পূৱ কামৰূপ বন সংমণ্ডলৰ অধীনৰ ৰাণী ৰেঞ্জৰ অন্তৰ্গত দেওপাহাৰত উদ্ধাৰ কৰা মৃত বন্যহস্তীটো চোৰাং চিকাৰীয়ে হত্যা কৰাৰ সন্দেহ কৰা হৈছে। বন বিভাগে মেঘালয়ৰ চোৰাং চিকাৰীয়ে এমাহ পূৰ্বে হাতীটো হত্যা কৰি দাঁত, শুঁৰ, মঙহ আদি কাটি লৈ যোৱাৰ সন্দেহ কৰিছে। ঘটনাস্থলীত ৰাণী বনাঞ্চলিক বিষয়া ৰজী বৰ্মনসহ বনকৰ্মীৰ দল, পশু চিকিৎসকৰ দল আৰু স্থানীয় লোকৰ উপস্থিতিত মৃতদেহটোৰ অৱশিষ্ট জ্বলাই দিয়া হয়।

ooooo

সমাপ্ত